জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৬৪/২০২০

প্ৰব্ৰজিত শ্ৰমিকসকলৰ সংস্থাপনৰ বাবে উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত

# শ্ৰমিকসকলক অতিশীঘ্ৰে জ'ব কাৰ্ড প্ৰদান কৰিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক নিৰ্দেশ মুখ্যমন্ত্ৰীৰ

# প্ৰব্ৰজিত শ্ৰমিকসকলক ব্লক পৰ্যায়ত কৌশল বিকাশৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিবলৈ দক্ষতা উন্নয়ন বিভাগক মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৭ মে' ঃ** সম্প্ৰতি বহিঃৰাজ্যৰ পৰা অসমলৈ ওভতি অহা প্ৰব্ৰজিত শ্ৰমিকসকলৰ কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ লগতে নিয়োগ নিশ্চিতকৰণৰ বাবে অতিশীঘ্ৰে জ'ব কাৰ্ড প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক নিৰ্দেশ দিয়ে। অসমৰ যিসকল শ্ৰমিক ৰাজ্যখনলৈ ওভতি আহিছে তেওঁলোকৰ কৌশল বিকাশৰ বাবে খণ্ড উন্নয়ন পৰ্যায়ত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে দক্ষতা উন্নয়ন বিভাগক নিৰ্দেশ দিয়ে। আজি ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত প্ৰব্ৰজিত শ্ৰমিকসকলৰ সংস্থাপন সুনিশ্চিত কৰাৰ উদ্দেশ্যৰে অনুষ্ঠিত এক বৈঠকত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই নিৰ্দেশ দিয়ে।

বৈঠকত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে লক্‌ডাউনৰ বাবে অসমলৈ ওভতি অহা শ্ৰমিকসকলৰ কৰ্ম সংস্থাপন সুনিশ্চিত কৰাৰ বাবে ৰাজ্য চৰকাৰে অগ্ৰাধিকাৰ প্ৰদান কৰিছে। প্ৰতিগৰাকী শ্ৰমিকেই যাতে এমজিএনৰেগা আঁচনিৰ অধীনত কাম কৰাৰ সুযোগ লাভ কৰে সেয়া সুনিশ্চিত কৰিব লাগিব। এই শ্ৰমিকসকলক অতিশীঘ্ৰে জ'ব কাৰ্ড প্ৰদানৰ জৰিয়তে তেওঁলোকৰ নিয়োগ নিশ্চিত কৰাৰ বাবে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰব্ৰজিত শ্ৰমিকসকল আমাৰ সম্পদ। তেওঁলোকে ৰাজ্যৰ বাহিৰত কাম কৰি বিভিন্ন বিষয়ত দক্ষতা আহৰণ কৰিছে। এই দক্ষতাক অধিক বিকশাই তোলাৰ বাবে নিয়োগৰ সুবিধা থকা আৰু আত্মসংস্থাপনৰ সুযোগ থকা ক্ষেত্ৰসমূহত নিয়োজিত কৰিব পৰাকৈ দক্ষতাৰ উন্নয়ন সাধন কৰিব লাগিব বুলিও কয়। এই ক্ষেত্ৰত খণ্ড উন্নয়ন পৰ্যায়তে যাতে এইসকল ব্যক্তিৰ কৌশল বিকাশ কৰিব পৰা যায় তাৰ বাবে মুখ্যমন্ত্ৰীয়ে খণ্ড উন্নয়ন পৰ্যায়ত দক্ষতা উন্নয়নৰ পদক্ষেপ ল'বলৈ সংশ্লিষ্ট বিভাগক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ঘোষণা কৰা ২০ লাখ কোটি টকাৰ অৰ্থনৈতিক পেকেজৰ জৰিয়তে অসম বিশেষভাৱে লাভান্বিত হ'ব পাৰিব। অসমৰ উদ্যোগ খণ্ডক আগুৱাই নি নিয়োগৰ এক সুনিশ্চিত বাতাবৰণ তৈয়াৰ কৰিব পৰাকৈ এই অৰ্থনৈতিক পেকেজে সামৰি লোৱা দিশসমূহৰ ক্ষেত্ৰত তৎকালীনভাৱে পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে কয় যে অসমত ১.০১ লাখ অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আছে। কেন্দ্ৰীয় চৰকাৰৰ এই অৰ্থনৈতিক পেকেজৰ দ্বাৰা এই খণ্ডতো গতিশীল কৰাৰ বাবে যথোচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে উদ্যোগ বিভাগক নিৰ্দেশ

দিয়ে। মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত এম এছ এম ই খণ্ডৰ জিলা ভিত্তিক তালিকা প্ৰস্তুত কৰি যথোপযুক্ত পদক্ষেপ লোৱাৰ বাবেও উদ্যোগ বিভাগক নিৰ্দেশ দিয়ে। আজিৰ এই বৈঠকত মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ জৰিয়তে সামৰি ল'ব পৰা দিশসমূহৰ বিষয়েও আলোচনা কৰা হয়। প্ৰব্ৰজিত শ্ৰমিকসকলে উৎপাদনমূলক কাম-কাজত জড়িত হ'ব পৰাকৈ কেন্দ্ৰীয় চৰকাৰৰ অৰ্থনৈতিক পেকেজৰ জৰিয়তে আগবঢ়োৱা ঋণ বেংকসমূহে প্ৰদানৰ প্ৰক্ৰিয়াটো ত্বৰান্বিত কৰাৰ বাবে বেংকৰ লগত শীঘ্ৰে আলোচনাত মিলিত হ'বলৈও বিত্ত বিভাগক নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ মন্ত্ৰী নৱ কুমাৰ দলে, মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামী, মুখ্যমন্ত্ৰীৰ আইন উপদেষ্টা শান্তনু ভৰালী আৰু অন্যান্য শীৰ্ষ বিষয়াসকল উপস্থিত আছিল।

**পুঃডেঃ / বীঃগঃ**
**১৭/০৫/২০২০**